# ASSAMESE

## (*Second Language*)

***Maximum Marks : 80***

***Time Allowed : Three Hours***

***Answers to this Paper must be written on the paper provided separately.***

*You will **not** be allowed to write during the first **15** minutes.*

*This time is to be spent in reading the question paper.*

***The time given at the head of this Paper is the time allowed for writing the answers.***

*This paper comprises of two Sections : **Section A** and **Section B.***
*Attempt **all** the questions from **Section A.***
*Attempt any **four** questions from **Section B**, answering at least **one** question each from the **two** books you have studied and **any two** other questions from the same books you have compulsorily chosen.*
*The intended marks for questions or parts of questions are given in brackets [ ].*

### SECTION– A (40 Marks)

*Attempt **all** questions from this Section.*

**Question 1**

Write a short composition in **Assamese** of approximately **250** words on any **one** of the following topics :- [15]

তলত দিয়া যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **২৫০** টা শব্দৰ ভিতৰত **এখনি** ৰচনা লিখা :-

(i) বিপদৰ বন্ধুহে আচল বন্ধু — (A friend in need is a friend indeed) এই প্ৰৱচন ফাকি ব্যৱহাৰ কৰি এটি গল্প নাইবা এখনি ৰচনা লিখা।

(ii) ইণ্টাৰনেট, কমপিউটাৰ নেটৱৰ্কৰ অত্যাধুনিক ব্যৱস্থা। বৰ্তমান বেছিভাগ মানুহ ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল। তোমাৰ জীৱনত ইণ্টাৰনেটে কেনেধৰণে প্ৰভাৱ পেলাইছে তাক জনাই এখন ৰচনা লিখা।

(iii) মাৰ লগত তোমাৰ বৰ মধুৰ সম্পৰ্ক। এদিন দেওবাৰে বন্ধৰ দিনত কিবা এটা কাৰণত মায়ে তোমাক বৰকৈ গালি-শপনি পাৰিলে। তোমাৰো বৰ খং উঠিছে যদিও তুমি মাক একো ক'ব পৰা নাই। দিনটো ওজৰি-ওমৰি থাকিলা যদিও ৰাতিলৈ তোমাৰ খংটো কমিল। কিন্তু মাৰ লগত তুমি বৰ সহজ হ'ব নোৱাৰিলা। পিছদিনাখন তুমি কেনেদৰে মাৰ লগত পুনৰ সেই মধুৰ সম্পৰ্ক স্থাপন কৰিলা সেই ঘটনাক্ৰমৰ বৰ্ণনা দি এটি গল্প লিখা।

(iv) এটি মৌলিক (Original) গল্প লিখা যিটো গল্পৰ প্ৰথম নাইবা শেষৰ বাক্যটো হ'ব— ''জীৱনৰ আন এটা নামেই হৈছে সংগ্ৰাম। সংগ্ৰামত লিপ্ত হৈয়েই জীৱনটো যে ইমান কঠোৰ সেইকথা আজি উপলব্ধি কৰিছো।''

**This paper consists of 12 printed pages.**



© *Copyright reserved.*

(v) তলত দিয়া ছবিখন ভালদৰে অধ্যয়ন কৰি সেইখনৰ লগত সমন্ধ ৰাখি এখনি **ৰচনা** নাইবা এটি **গল্প** লিখা। তোমাৰ লিখনিৰ সৈতে ছবিখনৰ সম্বন্ধ থাকিব লাগিব। লিখনিৰ আৰম্ভণীতে গল্প বা ৰচনাখনৰ শীৰ্ষক দিবলৈ নেপাহৰিবা।



**Question 2**

Write a letter in **Assamese** in approximately **120** words on any **one** of the topics given below :- [7]

তলত দিয়া যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **১২০** টা শব্দৰ ভিতৰত **এখন** চিঠি লিখা :-

**EITHER**

বৰ্তমান অসমত বিজুলী শক্তিৰ যোগানত ঘনাই বিজুতি ঘটাৰ ফলত তোমাৰ আৰু তোমালোকৰ পৰিয়ালটোৰ ৰাইজৰ লগতে ৰাইজৰ কিমান অসুবিধা হয় এই বিষয়ে আপত্তি দৰ্শাই বিদ্যুৎ বিভাগৰ মন্ত্ৰীগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰি আমাৰ অসম বাতৰি কাকতৰ সম্পাদকলৈ এখনি মুকলি পত্ৰ লিখা।

**OR**

বিদ্যালয়ত পঢ়ি থকা কালছোৱাত ঘটা দুই এটা স্মৰণীয় ঘটনা যি তোমাৰ জীৱনত যথেষ্ঠ প্ৰভাৱ পেলাইছিল, সেই বিষয়ে বৰ্ণনা কৰি তুমি তোমাৰ বন্ধুলৈ এখনি পত্ৰ লিখা।

## Question 3

Read the passage given below and answer in **Assamese** the questions that follow, using your own words as far as possible :-

তলত দিয়া কথাংশ পঢ়ি চোৱা আৰু লগত দিয়া প্ৰশ্নসমূহৰ উত্তৰ যিমান পাৰা নিজৰ ভাষাত দিবলৈ চেষ্টা কৰা :-

''মাক-দেউতাক হ'ল আমাৰ জীৱনদাতা, পালনকৰ্তা আৰু জীৱনৰ দিশ নিৰ্ণয়কাৰী। মাক-দেউতাকৰ বহুত কষ্ট আৰু ত্যাগৰ বলত ল'ৰা-ছোৱালীক জন্ম দিয়া হয় আৰু ডাঙৰ-দীঘল কৰা হয়। সেই ক্ষেত্ৰত মাকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। মাকেই সন্তানক সৰ্বপ্ৰথমে শিক্ষা প্ৰদান কৰে। সেয়ে কোৱা হয় সন্তানৰ প্ৰথম শিক্ষাৰ কঠীয়াথলী ঘৰখন আৰু সৰ্বপ্ৰথম শিক্ষকগৰাকীয়ে হ'ল মাকগৰাকী। সন্তানৰ শিক্ষা, জ্ঞান, সামাজিক, সাংস্কৃতিক সকলো দিশৰ প্ৰথম অংকুৰণ হয় ঘৰখনৰপৰা। মাক-দেউতাকে ল'ৰা-ছোৱালীক ভালকৈ পঢ়া-শুনোৱা কৰোৱাৰ পাছত জীৱনটো সু-প্ৰতিষ্ঠা লাভ কৰাৰ সপোন দেখো সেয়ে সন্তানে নিজৰ কেৰিয়াৰ প্ৰতিষ্ঠা কৰিবৰ বাবে যিমান দুঃখ-কষ্ট কৰে বা চিন্তা কৰে, তাতোকৈ মাক-দেউতাকে নিজৰ সন্তানৰ জীৱনতো প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বহুগুণে চিন্তা কৰে।

বৰ্তমান সময়ত শিক্ষা-দীক্ষা, উচ্চ ডিগ্ৰী-ডিপ্লমাৰে মানুহবোৰে শিক্ষিত হৈ আহিছে। পূৰ্বতকৈ মানুহবোৰে বেছি সচেতন হৈছে বুলি কোৱা হয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বলত মানুহে অসম্ভৱকো সম্ভৱ কৰি তুলিছে। সুন্দৰ আকাশ-মহাকাশৰ বুকুত ভৰি থৈ অথবা সুগভীৰ প্ৰশান্ত মহাসাগৰৰ বুকুত বিচৰণ কৰিছে আৰু অজান এণ্টাৰকটিকা বুকুত অথবা সুউচ্চ এভাৰেষ্ট শৃংগ আৰোহণ কৰি মানুহে নিজৰ বিজয় গৌৰৱ ঘোষণা কৰিছে।

বৰ্তমান সময়ত সন্তানবোৰে গুৰু-গোসাই নমনা স্বভাৱৰ বুলি প্ৰায়েই অভিযোগ উঠা দেখা যায়। দায়িত্বহীন, উশৃংখল আৰু বেপেৰোৱা চৰিত্ৰ লৈ বিভিন্ন অকাৰ্য কৰে। মদ, ভাং, চিগাৰেট, ড্ৰাগছৰ দৰে অপকাৰী দ্ৰব্যৰ কবলত পৰি যুৱ-প্ৰজন্মবোৰ উছন হৈ গৈছে। মাক-দেউতাকক দাবী-ধমকি দি টকা-পইচা লুট কৰে, ঘৰ-দুৱাৰ, মাটি-বাৰী বিক্ৰী কৰি দিয়ে। বিভিন্ন অনৈতিক আৰু অসামাজিক কামত জড়িত হৈ পৰিয়াল, অভিভাৱকৰ সন্মান-আদৰ্শবোৰক ধূলিসাৎ কৰে। সেয়ে তেনেধৰণৰ সন্তানৰপৰা মাক-দেউতাকে বহু দুঃখ, কষ্ট, অপবাদ আদি ভোগ কৰিবলগীয়া হয়। মাক-দেউতাকে নিজৰ সন্তানক লৈ দেখা আশা-সপোনবোৰ কলিতে মৰহি যোৱা দেখি হায়ৰাণ হয়।

মাক-দেউতাকৰ ভাৱনা-চিন্তা, ধ্যান-ধাৰণা আদিবোৰৰ লগত সন্তানৰ ভবা-চিন্তাবোৰ নিমিলিবও পাৰে। কাৰণ পিতৃ-মাতৃৰ যুগ আৰু সময়টো বৰ্তমানৰ তুলনাত বহুত বেলেগ আছিল বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰে আগতকৈ বহু দিশত সলনি কৰিছে। যিহেতু সমাজ, সময়ৰ লগত সংগতি ৰাখি মানুহৰ ধ্যান-ধাৰণাসমূহ গঢ়ি উঠে, সেয়ে মাক-দেউতাকৰ ধ্যান-ধাৰণাৰ লগত তেওঁলোকৰ সতি-সন্ততিৰ ধ্যান-ধাৰণাসমূহ বেলেগ হয়। সেই চিন্তা-ধাৰণাৰ তফাৎৰ ফলত কেতিয়াবা মাক-দেউতাক আৰু সন্তানৰ মাজত বিভেদৰ সৃষ্টি হ'ব পাৰে। সেয়ে এনেবোৰ পৰিস্থিতিত আমি আমাৰ পিতৃ-মাতৃৰ ধ্যান-ধাৰণা সমূহক সন্মান জনোৱাৰ লগতে বৰ্তমানৰ ধ্যান-

ধাৰণাসমূহকো বিলাই দিবলৈ সচেতনতাৰে আগবাঢ়িব লাগিব। মা-দেউতাই নিঃস্বৰ্থভাৱে নিঃসংকোচে সন্তানৰ প্ৰতি নিজৰ দায়িত্ব-কৰ্তব্য পালন কৰে। কিমান নিদ্ৰা, কষ্ট, ভোকত থাকিও সন্তানক তুলি-তালি ডাঙৰ দীঘল কৰিছে তাক কোনো মূল্যৰে জুখিব নোৱাৰি। তেওঁলোকে তাৰ প্ৰতিদিন কেতিয়াও সন্তানৰপৰা নিবিচাৰে। তাৰ মূল্য কেতিয়াও সন্তানৰপৰা নলয় আৰু আশাও নকৰে। সেয়ে সকলোৱে নিজৰ নিজৰ মা-দেউতাকক সন্মান-শ্ৰদ্ধা, যথোপযুক্ত খোৱা-বোৱা, চিকিৎসা, আদৰ-যতন আদি লোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো বাঞ্ছনীয়।

(i) সন্তানৰ প্ৰথম শিক্ষাৰ কঠীয়াথলী কি আৰু তাৰ কাৰণ কী ? [2]

(ii) পূৰ্বতকৈ মানুহবোৰে বেছি সচেতন হৈছে বুলি তুমি কেনেকৈ অনুমান কৰিব পাৰা ? [2]

(iii) কিহৰ কবলত পৰি যুৱ-প্ৰজন্মবোৰ উছন হৈ গৈছে ? [2]

(iv) মাক-দেউতাকে নিজৰ সন্তানক লৈ দেখা আশা-সপোনবোৰ কলিতে মৰহি যোৱাৰ কাৰণ কি ? [2]

(v) সকলোৱে নিজৰ নিজৰ মা-দেউতাকক সন্মান-শ্ৰদ্ধা, যথোপযুক্ত খোৱা-বোৱা, চিকিৎসা, আদৰ-যতন আদি লোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো কিয় বাঞ্ছনীয় ? [2]

**Question 4**

Choose the correct answer to the following questions from the options given :- [8]

তলত দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই লিখা :-

(i) সদায় বেয়া কাম কৰি সাৰি যাব নোৱাৰি। এদিন নহয় এদিন পাপীৰ মৃত্যুও ওচৰ চাপিব। অৰ্থাত —

(a) উপকাৰীক অজগৰে খায়

(b) এশ গৰু মাৰিলে বাঘৰো মৰণ

(c) উলুৰ লগত বগৰী পোৰা

(d) হস্তীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও

(ii) তলত দিয়া বাক্যটোৰ আঁচটনা শব্দদুটোৰ ভুলটো আঁতৰাই শুদ্ধ শব্দটোত চিন দিয়া— নিয়মিতকৈ ব্যায়াম কৰা স্বাস্থ্যৰ পক্ষে ভাল।

(a) নিয়মিতকৈ

(b) নিয়মিয়াকৈ

(c) নিয়মনীতিকৈ -

(d) ৰীতিনীতিৰে -

(iii) উপযুক্ত জতুৰা ঠাচটো ব্যৱহাৰ কৰি তলত বাক্যটো পূৰ্ণ কৰা।

মাকৰ অকাল মৃত্যুতে কেচুৱাটিৰ ............. অৱস্থা হৈছে।

(a) জয়জয় ময়ময়

(b) পানীত হাঁহ নচৰা

(c) উভৈনদী

(d) দুখলগা

(iv) নদী শব্দটোৰ সমাৰ্থক শব্দ হৈছে —

(a) সাগৰ

(b) জান

(c) বিল

(d) তটিনী

(v) হাট আৰু হাত শব্দ দুটাৰ ক্ৰমান্বয়ে অৰ্থ হৈছে —

(a) শৰীৰৰ অংগ আৰু বজাৰ

(b) বজাৰ আৰু শৰীৰৰ অংগ

(c) এটাও নহয়

(d) ক আৰু খ দুয়োটাই নহয়

(vi) যি উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে —

(a) অকৃতজ্ঞ

(b) কৃতজ্ঞ

(c) কৃতজ্ঞতা

(d) অকৃতঘ্ন

(vii) পুত্ৰৰ মৃত্যুত মাকে হৈ ............ কান্দিছে।

(a) আউলি বাউলি

(b) ইনাই-বিনাই

(c) জুৰুলি-জুপুৰি

(d) জধামধা

(viii) তলৰ সৰল বাক্যটো বিচাৰি উলিওৱা —

(a) হলিৰাম বৰ একা চেকা মানুহ আছিল আৰু গাঁৱৰ সমাজৰ লগত মিলিব নোৱাৰিছিল — কাৰণে গাঁৱৰ মানুহে তাক এঘৰীয়া কৰিছিল।

(b) বৰ একা-চেকা মানুহ কাৰণে হলিৰামে গৰীৱ সমাজৰ লগত মিলিব নোৱাৰিছিল গতিকে — গাঁৱৰ মানুহে তাক এঘৰীয়া কৰিছিল।

(c) গাঁৱৰ একাচেকা মানুহ হলিৰামে গাঁৱৰ — সমাজৰ লগত মিলিব নোৱাৰাত গাঁৱৰ মানুহে তাক এঘৰীয়া কৰিছিল।

(d) গাঁৱৰ মানুহে হলিৰামক এঘৰীয়া কৰিছিল কাৰণ সি বৰ একা চেকা — বিধৰ আছিল আৰু গাঁৱৰ সমাজৰ লগত মিলিব নোৱাৰিছিল।

**SECTION–B (40 Marks)**

*Questions from only **two** of the following textbooks are to be answered.*

*Attempt **four** questions from this Section.*

*You must answer at least **one** question from each of the **two** books you have studied and **any two** other questions from the same books that you have chosen.*

## অসমীয়া চুটি গল্পৰ প্ৰবাহ

## ASOMIYA SUTI GALPAR PRABAH (Short Stories)

**Question 5**

Read the extract given from the **Story** and answer in Assamese the questions that follow:-

তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ 'অবুজ মায়া' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

''আমাক সেইদৰে দলে-বলে উপস্থিত হোৱা যেন দেখিলেই সেউতীবায়ে সদায় তাঁতশালৰ পৰা উঠি আহিছিল আৰু আমাৰ লগত যোগ দি ঠিক আমাৰ সমনীয়া এজন সৰু ল'ৰাৰ দৰেই হাঁহি-ধেমালি কৰি তেওঁ নিজৰ ভাগৰ আম-কলি আৰু কৰ্জা টেঙা হাত পাতি আমাৰ হাতৰপৰা খুজি নিছিল।''

(i) সেউতী বাইৰ প্ৰতি যে সোণহঁতৰ এটা অদ্ভুত টান আছিল সেইটোৰ উমান কেনেদৰে পাৰ পৰি আৰু তাৰ কাৰণ কি ? [2]

(ii) সোণে ৰাতি শুই শুই সেউতী বাইৰ কথা কি ভাবে ? [2]

(iii) সেউতী বায়ে যে সোণহঁতৰ লগত ব্যৱধান ৰাখি চলিছিল সেই কথাটো কি কথাৰ পৰা অনুমান কৰিব পাৰি ? [3]

(iv) মেকুৰ পোৱালিটো মুকুটে পোৱাৰ পৰিবৰ্তে সোণেহে যে পাব লাগে তাৰ সপক্ষে সোণে সেউতীবাইক কি যুক্তি দৰ্শাইছিল ? [3]

**Question 6**

Read the extract given from the **Story** and answer in Assamese the questions that follow :-

তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ প্ৰবাহ'ৰ 'ভাগ-বাটোৱাৰা' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''দৰমহা বাঢ়ি যোৱাৰ লগতে হেমন্তই ককায়েকক দহটকা আৰু ঘৈণীয়েৰৰ পাঁচটকা ৰূপ বঢ়াই দিলে। অলপ কেইদিনতে এই কথা প্ৰকাশ হৈ পৰিল। আকৌ মিতিৰ-কুটুমে আহি শৰতহঁতক হেমন্তৰ প্ৰশংসা শুনাই থৈ গ'ল। আদ্যনাথ দাদায়ে আকৌ এবাৰ নিজৰ ভৱিষ্যতে বাণী সফল হোৱা সম্বন্ধে শৰতক সোঁৱৰাই দি তাৰ পৰা দুই টকা ধাৰলৈ খুজি লৈ গ'ল।''

(i) শৰত আৰু হেমন্ত সহোদৰ হ'লেও দুয়ো আছিল বিপৰীতমুখী স্বভাৱৰ। দুয়োৰে প্ৰকৃতিৰ বিপৰীতধৰ্মিতাৰ এটি পৰিচয় দিয়া। [2]

(ii) ডব্লিউ বনফিল্ড এণ্ড কোম্পানীত চাকৰি কৰিবলৈ হেমন্তই ঘৰৰ পৰা মনে মনে ওলাই গৈ ৭ দিনৰ মূৰতহে চিঠিৰে জনোৱাৰ কাৰণ কি বুলি ভাবা ? চিঠি পঢ়ি ককায়েক, বৌৱেক আৰু হেমন্তৰ ঘৈণীয়েকে কেনেধৰণে প্ৰতিক্ৰিয়া কৰিছিল ? [2]

(iii) ইমানবোৰ টকা ঘটি তিনি বছৰৰ মূৰত হেমন্ত ঘৰলৈ উভটি অহাত ওচৰ-চুবুৰীয়াৰ প্ৰতিক্ৰিয়া কেনে আছিল ? আদ্যনাথ দাদাই কি কৰিছিল ? [3]

(iv) গল্পৰ শেষৰ ফালে লিখকৰ মতে হেমন্তই সম্পত্তিৰ ভাগ-বাটোৱাৰা কৰাৰ শেষত কোন আষাৰ কথাই কুমুদিনীৰ মুখৰ হাঁহি মাৰ নিয়ালে ? এইষাৰ কথাৰ পিছত দুয়ো ভায়েকে কি কৰিলে ? [3]

**Question 7**

Read the extract given from the **Story** and answer in Assamese the questions that follow :-

তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ প্ৰবাহ'ৰ 'ডাক্তৰ' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''পূৰা চাহ খাই থাকোঁতেই বিভূতি হাজৰিকাই খবৰ পালে ডাক্তৰ নাৰায়ণ চলিহা ঢুকাল। তেওঁ আচৰিত নহ'ল। ডাক্তৰ চলিহাৰ অৱস্থা বেয়াৰ ফালে অহাৰ কথা তেওঁ জানিছিল। তেওঁ ইয়াকো জানিছিল যে এইবাৰ ডাক্তৰ চলিহা ৰক্ষা পোৱাৰ আশা নাই।''

(i) খবৰটো শুনিয়েই বিভূতি হাজৰিকাৰ প্ৰথমেই মনত বেজাৰ লগাৰ কাৰণ কি ? [2]

(ii) হাজৰিকাৰ পুতেকৰ বিয়াত ডাক্তৰে তেওঁক কেনেধৰণে উপকাৰ কৰাৰ কথা হাজৰিকাই মনতে পেলালে ? [2]

(iii) কঠালবাৰীৰ কল্যাণপুৰত হোৱা জিলা কংগ্ৰেছ কমিটিৰ বছেৰেকীয়া অধিবেশনলৈ গৈ ডাক্তৰ চলিহাই কি কৰিছিল ? [3]

(iv) কঠালবাৰীত পোৱা তিনিশ টকা ডাক্তৰে কাক কি কৰিবলৈ দান দি আহিল ? [3]

## সাউদৰ পুতেকে নাও মেলি যায় (হোমেন বৰগোহাঞি)

## SAUDOR PUTEKE NAO MELI JAI (Novel)

**Question 8**

Read the extract given from the **Novel** and answer in Assamese the questions that follow :-

তলত দিয়া তোমাৰ পাঠ্যপুথি 'সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''বিক্ৰম হঁতৰ ঘৰৰ পশ্চিম ফাললৈ পিৰালিয়ে লাগি থকা ঘৰটো নবীনহঁতৰ। তেজৰ সম্বন্ধ একো নাই যদিও বিক্ৰমহঁতে নবীনক দদাইদেউ বুলি মাতে আৰু দুয়োঘৰ মানুহে একেটা পৰিয়ালৰ দৰেই বাস কৰে। এঘৰত মাহ-মাংসৰ ভাল আঞ্জা ৰন্ধা হ'লে লগে লগে তাৰ ভাগ আন ঘৰলৈ যায়, স্কুলীয়া ল'ৰা-ছোৱালীৰ কাৰণে এঘৰত সময়মতে খোৱাৰ যোগাৰ নহলে আনটো ঘৰতে দুয়ো ঘৰৰ ল'ৰা-ছোৱালীয়ে একেলগে খাই স্কুললৈ যায়।''

(i) বিক্ৰম আৰু নবীন — এই দুইঘৰ মানুহৰ মাজত থকা মধুৰ সমন্ধৰ বিষয়ে লিখা। [2]

(ii) বিক্ৰমৰ প্ৰতি নবীনৰ ঘৈনীয়েকৰ যে অত্যন্ত মৰম আছিল তাক কোন কেইটা কথাৰ পৰা বুজিব পাৰি। [2]

(iii) নবীনৰ ঘৈনীয়েকৰ বিক্ৰমৰ প্ৰতি থকা ইমান মৰম চেনেহৰ কাৰণ কি ? তেওঁৰ বিক্ৰমৰ সৈতে কিবা স্বাৰ্থ আছে নেকি ? [3]

(iv) বিক্ৰম কেইবাদিনো নবীন দদায়েকৰ ঘৰলৈ যাব নোৱাৰৰ কাৰণ কি ? বৰষুণৰ বতৰত এদিন খুৰীয়েকৰ ঘৰলৈ গৈ সি কেনে পৰিস্থিতিত পৰিব লগা হ'ল ? [3]

**Question 9**

Read the extract given from the **Novel** and answer in Assamese the questions that follow :-

তলত দিয়া তোমাৰ পাঠ্যপুথি 'সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''কিন্তু এদিন নিতান্ত অপ্ৰত্যাশিতভাবে হঠাৎ সেই প্ৰতীক্ষাৰ অৱসান ঘটিল। প্ৰায় এবছৰমানৰ আগৰ কথা। দেউতাকে এদিন তাক মাতি নি ক'লে, হোঁ ল, আলমাৰিৰ চাবিটো এতিয়াৰ পৰা তয়েই ৰাখিবি। আজিৰ পৰা তোক আমাৰ ঘৰৰ লাইব্ৰেৰিয়ান পাতিলোঁ। কিন্তু সাৱধান, কিতাপ-পত্ৰবোৰ যদি নষ্ট কৰ বা পৰিপাটিকৈ নাৰাখ, তেন্তে কিন্তু চাবিটো মই আকৌ ঘূৰাই লম।''

(i) আলমাৰিৰ চাবিটো হাতলৈ অহাৰ দিনাৰে পৰা হেবাঙৰ প্ৰতি বাপুকণৰ আকৰ্ষণ কিয় কমিল ? [2]

(ii) এদিন দুপৰীয়া বাপুকণ আৰু হেবাঙৰ মাজত কি ঘটনা ঘটিল ? হেবাঙৰ প্ৰতি বাপুকণৰ এই নতুন ব্যৱহাৰ তুমি সমৰ্থন কৰানে ? [2]

(iii) বাপুকণৰ নতুন বন্ধু দুলাল আৰু তাৰ মাজত অতি সোনকালে বন্ধুত্ব গভীৰ হোৱাৰ কাৰণ কি ? [3]

(iv) দুলালৰ লাইব্ৰেৰীটো দেখাৰ লগে লগে বাপুকণে মনৰ উত্তেজনা কেনেকৈ প্ৰকাশ কৰিছিল ? [3]

**Question 10**

Read the extract given from the **Novel** and answer in Assamese the questions that follow :-

তোমাৰ পাঠ্যপুথি ‘সাউদৰ পুতেকে নাও মেলি যায়’ নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

‘‘পিয়াহত দুয়োৰে অণ্ঠ-কণ্ঠ শুকাই গৈছিল। হেবাঙে পৰম তৃপ্তিৰে সৈতে আঁজলিয়ে আঁজলিয়ে পানী খাবলৈ ধৰিলে। বাপুকণে দুই হাতৰ আঁজলি কৰি পানীখিনি মুখৰ ওচৰলৈ আনে আৰু কিবা এটা ভাবি আকৌ পেলাই দিয়ে। এনেকৈ সি কেইবাবাৰো কৰি থাকোতে কোনোবা এপাকত কাণ্ডটো হেবাঙৰ চকুত পৰিল।’’

(i) মহঘুলি নৈত পানী খাবলৈ চেষ্টা কৰিও বাৰে বাৰে সংকোচ কৰি পেলাই দিয়াৰ কাৰণে হেবাঙে ভেকাহি মাৰি বাপুকণক কি বুলি ক’লে ? [2]

(ii) মহঘুলি নৈত সাতুৰি-নাদুৰি অবশেষত বাপুকণে কি সিদ্ধান্ত ল’লে আৰু সেই কামত হেবাঙে তাক কেনেকৈ সহায় কৰিলে ? [2]

(iii) হঠাতে বাহিৰত বাপুকণৰ দেউতাকৰ মাত শুনি বাপুকণৰ অৱস্থা কেনে হ’ল আৰু দেউতাকে হেবাঙৰ মাকক কোৱা কথাবোৰ শুনি সি তৎক্ষণাত কি কামটো কৰি পেলালে ? [3]

(iv) এইবোৰ দেখি-শুনি হেবাঙৰ মাকে সহজ-সৰল ভাষাত কি মন্তব্য দিলে ? হেবাঙৰ মাকক বাপুকণৰ দেউতাকে যোৱাৰ আগে আগে কি কথা কৈ গ’ল ? [3]

## কবিতা মঞ্জৰী
## KOBITA MONJORI (Poems)

**Question 11**

Read the extract given from the **Poem** taken from the **Poetry** book KOBITA MONJORI and answer in Assamese the questions that follow:-

তোমাৰ পাঠ্যপুথি ‘কবিতা মঞ্জৰী’ নামৰ কবিতা পুথিৰ ‘মমতাৰ চিঠি’ নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

‘‘সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত

আছেনে ? আমি যে নতুন জীৱনটোৰ পাতনি

মেলিছিলোঁ। মোৰ গাত সেই অচিনাক নিচা বাৰুকৈয়ে লাগিছিল।

সিদিনা আছিল কাতিৰ কুঁৱলীসনা এটা কোমল পুৱা।

পদুলিত তলসৰা শেৱালিবোৰ উপচি আছিল।''

**'মমতাৰ চিঠি' — ৰঘুনাথ চৌধুৰী**

**Mamtar Chithi — Raghunath Choudhury**

(i) মম এডাল জলাই লৈ কোনে, কালৈ আৰু কিয় চিঠি লিখিছে ? সাতবছৰৰ আগৰ কথাবোৰ ক'বলৈ লৈ মমতাই পোনেই কোনবোৰ কথা মনত পেলাইছে ? [2]

(ii) বাবুলৰ কথা তাই চিঠিত কি কি লিখিছে ? বাবুলে মাকৰ বগা সাজযোৰলৈ তথা লাগি চাই থকাৰ কাৰণ তাই কি বুলি অনুমান কৰিছে ? [2]

(iii) মমতা যে এতিয়া বিধবা কোনবোৰ কথাৰ পৰা বুজিব পাৰি ? তাই গাত লোৱা ৰঙা ৰঙৰ বিহা খনে কি কথাৰ ইঙ্গিত দিছে ? [3]

(iv) মমতাই লিখা চিঠিখনৰ শেষৰফালে তাই যে স্বামী উলটি অহাৰ কথা কৈছে, তাৰ পৰা কি অনুমান কৰিব পাৰি ? মমতাই চিঠিত লিখা মেজিৰ ৰঙা জুইকুৰা আৰু ছাগলীজনীয়ে দুটা পোৱালি দিয়া ঘটনা দুটাই কি বুজাইছে ? [3]

**Question 12**

Read the extract given from the **Poem** taken from the **Poetry** book KOBITA MONJORI and answer in Assamese the questions that follow :-

তোমাৰ পাঠ্যপুথি 'কবিতা মঞ্জৰী' নামৰ কবিতা পুথিৰ ''কেতেকী'' নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''নাই যি দেশত প্ৰাণ প্ৰলোভন  
নাই বিভীষিকা ভয়,  
পূণ্যৰ জ্যোতিয়ে যি প্ৰেম-নগৰী  
কৰি আছে জ্যোতিৰ্ময়।

যত অপৰূপ সদানন্দ ৰূপ  
আছে দিব্যৰূপ ধৰি,  
এনে হেন দেশ বিহংগিনী তই  
কিয় বা আহিলি এৰি ?

**'কেতেকী' — ৰঘুনাথ চৌধুৰী**

**'Keteki' — Raghunath Choudhury**

(i) কবিতাটিৰ কবি কোন ? কবিয়ে তই বুলি কাক সম্বোধন কৰিছে ? যিখন দেশৰ পৰা তাই আহিছে সেইখন দেশ কেনে বুলি কবিয়ে ব্যাখ্যা কৰিছে ? [2]

(ii) এতিয়া কেতেকীজনী য'লৈ আহিছে সেইখন ঠাই কবিয়ে কেনে বুলি কৈছে আৰু সেই ঠাইত কিয় সুখ নেপায় বুলি কৈছে ? [2]

(iii) মানৱী জনম, মানৱী ধৰম আদি শব্দেৰে কবিয়ে কি বুজাব খুজিছে ? স্বৰ্গীয় প্ৰেম-প্ৰীতি বুলি কবিয়ে কেনে প্ৰেম শিকাৰ কথা কৈছে ? [3]

(iv) কবিয়ে ক'ত ক'ত কেতেকীৰ সুৰত প্ৰেমৰ গান শুনিছে ? কবিতাৰ শেষৰ ফালে কবিয়ে কেতেকীক কি কৈছে ? [3]

**Question 13**

Read the extract given from the **Poem** taken from the **Poetry** book KOBITA MONJORI and answer in Assamese the questions that follow:-

তোমাৰ পাঠ্যপুথি 'কবিতা মঞ্জৰী' নামৰ কবিতা পুথিৰ 'বৰগীত' নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

তেজৰে কমলাপতি পৰভাত নিন্দ।
তেৰি চান্দমুখ পেখোঁ উঠৰে গোবিন্দ।।
ৰজনী বিদুৰ ভৈল দিশ ধৰলী বৰণ।
তিমিৰ ফেড়িয়া বাজ ৰৱিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰাই।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই।।

(i) 'বৰগীত' বুলিলে কি বুজা ? এইবোৰৰ স্ৰষ্টা কোন ? [2]

(ii) 'তেজৰে কমলাপতি' বৰগীতটিৰ মাজেদি মাতৃ যশোদাই পুৱা টোপনিৰ পৰা কৃষ্ণক উঠাবলৈ চেষ্টা কৰাৰ প্ৰকৃত উদ্দেশ্য কি ? [2]

(iii) মাতৃ যশোদাই কৃষ্ণক কি কি কথা কৈ শয্যা ত্যাগ কৰিবলৈ কৈছে ? [3]

(iv) মাতৃ যশোদাই ভগৱান কৃষ্ণক গৰখীয়া হিচাবে নিজ ঘৰতে লাভ কৰাৰ বিষয়ে কি বুলি কৈ ধন্য মানিছে ? [3]

## কাৰেঙৰ লিগিৰী
## KARENGAR LIGIRI (Drama)
## ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

**Question 14**

Read the extract given from the **Drama** and answer in Assamese the questions that follow :-

তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

"সুন্দৰ : (চিন্তামুক্ত হৈ) বন্ধু, তোমালোকে যিয়েই কোৱা লাগে, মই আইৰ প্ৰস্তাৱত মত নিদিও। বন্ধু, ইয়াৰ পৰা মোক তোমালোকে উদ্ধাৰ কৰিব নোৱাৰানে ?

সুদৰ্শন : মোৰ কিন্তু মত আনা বিবাহ বান্ধনিত সামাজিক আৰু শাৰীৰিকভাৱে সোমায়ো তুমি মন আঁতৰত ৰাখিব পাৰা। সেয়ে হ'লে সামাজিক প্ৰথাও উলংঘন নহয়, মাতৃ আজ্ঞা আৰু প্ৰজাৰ আগ্ৰহো ৰয়। একো ক্ষতি নহয়।

(i) সুন্দৰৰ মাতৃ ৰাজমাওৰ কোনটো প্ৰস্তাৱত সুন্দৰে মত নিদিয়াৰ কথা কোৱা হৈছে ? [2]

(ii) মত নিদিয়াৰ কাৰণ তেওঁ কি বুলি ব্যাখ্যা কৰিছে ? [2]

(iii) বন্ধু সুদৰ্শনৰ এই ক্ষেত্ৰত যুক্তি কি ? [3]

(iv) সুন্দৰ কোঁৱৰে সেইবোৰ যুক্তি কেনেদৰে খণ্ডন কৰিছে ? [3]

**Question 15**

Read the extract given from the **Drama** and answer in Assamese the questions that follow :-

তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''সুন্দৰ : কুঁৱৰী, মোৰ এয়েই প্ৰথম আৰু শেষ কথা। তুমি মোৰ জীৱনৰ পৰা আঁতৰি যাব লাগিব।

কাঞ্চনমতী : (বৰ তীব্ৰভাবে) মোৰ এইদৰে জীৱন-মৰণ লৈ ল'ৰা-ধেমালি কৰা আপোনাৰ উচিত হোৱা নাই। এটা ভুল কৰিলে ...... কি তাতোকৈ এটা ডাঙৰ ভুলেৰে আপুনি সেই ভুল শুধৰাবলৈ গৈছে। আপুনি ইমান দুৰ্বল বুলি মই ভাবিব নোৱাৰোঁ।''

**দ্বিতীয় অঙ্ক - প্ৰথম দৰ্শন**

(i) সুন্দৰে কাঞ্চনমতীক তেওঁৰ জীৱনৰ পৰা আঁতৰি যাব লাগিব বুলি কোৱাত কাঞ্চনমতীয়ে কি উত্তৰ দিলে ? তেওঁৰ কথাবোৰৰ মাজেদি তেওঁৰ চৰিত্ৰৰ দৃঢ়তা কেনেদৰে ফুটি উঠিছে ? [2]

(ii) বিবাহ আৰু ভালপোৱাৰ মাজত পাৰ্থক্য কি — বুলি কৰা কোঁৱৰৰ প্ৰশ্নত কাঞ্চনমতীয়ে কি উত্তৰ দিলে ? [2]

(iii) সুন্দৰে কাঞ্চনমতীৰ যুক্তি কেনেদৰে খণ্ডন কৰিছিল ? [3]

(iv) সুন্দৰে বাৰে বাৰে তেওঁ কৰা ভুল শুধৰোৱাৰ কথা কওঁতে কাঞ্চনমতীয়ে কি বুলি উত্তৰ দিছিল ? শেষত সুন্দৰে কি কি যুক্তি দি নিজৰ মত দৃঢ়তাৰে উপস্থাপন কৰি খণ্ডত কাঞ্চনমতীৰ পৰা বিদায় লৈ ওলাই যায় ? [3]

**Question 16**

Read the extract given from the **Drama** and answer in Assamese the questions that follow:-

তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

''সুন্দৰ : বন্ধু .......... এই কথাবোৰৰ বিষয়ে তুমি কি জানা

সুদৰ্শন : কি কথা

সুন্দৰ : শেৱালিৰ সৈতে মোৰ এনে ........

সুদৰ্শন : বুজিছো (মিচিককৈ হাঁহে)

সুন্দৰ : হাঁহিলা দেখোন

সুদৰ্শন : এৰা ........... ''

(i) সুন্দৰে সুদৰ্শনক 'এই কথাবোৰ' বুলি কিহৰ ইঙ্গিত দিছে ? [2]

(ii) সুদৰ্শনে শেৱালি আৰু সুন্দৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে কি বুলি কৈ বুজাব খুজিছে ? [2]

(iii) সুন্দৰে সুদৰ্শনৰ কথাবোৰ শুনি কিয় আশ্চৰ্য্য প্ৰকাশ কৰিছে ? সুদৰ্শনৰ মতে শেৱালিয়ে সুন্দৰক কিদৰে ভাল পায় ? [3]

(iv) সুদৰ্শনৰ কথাবোৰ শুনি সুন্দৰ কিয় চিন্তিত হৈ পৰে ? এই দৃশ্যৰ শেষৰফালে কি হ'ল ? [3]